# ECHO OF HIS CALL

ASSAMESE

## তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

ECHO OF HIS CALL 1969-2019 GOLDEN JUBILEE

REACHING NATIONS

India's National Spiritual Newspaper

₹ 10/-

Published monthly in ENGLISH, TAMIL, MALAYALAM, TELUGU, HINDI, KANNADA, MARATHI, BENGALI, GUJARATI, ODIYA, ASSAMESE, PUNJABI, NEPALI, URDU, SINHALA & AFRIKAN

Editor : S. SAM SELVA RAJ | 16 Languages | Associate Editor : Sis. BORNALI THAPA RAJ

Vol. XXIV | NOVEMBER 2023 | No. 05




## পবিত্ৰ বাইবেল

এই অংশটি অনুগ্ৰহ কৰি মুখস্থ কৰক

প্ৰভুৰ প্ৰশংসা হওঁক !

**গীতমালা ১৩৮ঃ১-৮**

১। মোৰ সমস্ত চিত্তেৰে মই তোমাৰ ধন্যবাদ কৰিম, দেৱতাবোৰৰ আগতে মই তোমাৰ প্ৰশংসাৰ গান কৰিম।

২। মই তোমাৰ পবিত্ৰ মন্দিৰৰ ফাললৈ মুখ কৰি প্ৰণিপাত কৰিম, তোমাৰ দয়া আৰু সত্যতাৰ কাৰণে তেওঁৰ নামৰ ধন্যবাদ কৰিম। কিয়নো তোমাৰ সমস্ত নামতকৈয়ো তুমি নিজ বাক্য মহৎ কৰিলা।

৩। মই প্ৰাৰ্থনা কৰা কালত তুমি মোক উত্তৰ দিলা, তুমি মোৰ প্ৰাণক শক্তি দি মোক সাহিয়াল কৰিলা।

৪। হে যিহোৱা, পৃথিৱীৰ সকলো ৰজাই তোমাৰ ধন্যবাদ কৰিব, কিয়নো তেওঁবিলাকে তোমাৰ মুখৰ বাক্য শুনিলে।

৫। এনে কি, তেওঁবিলাকে যিহোৱাৰ পথৰ বিষয়ে গান কৰিব, কিয়নো যিহোৱাৰ গৌৰৱ মহৎ।

৬। কাৰণ যদিও যিহোৱা উন্নত, তথাপি তেওঁ নম্ৰ লোকলৈ দৃষ্টি কৰে, কিন্তু তেওঁ অহংকাৰী লোকক দূৰৈৰ পৰা জানে।

৭। যদিও মই সংকটৰ মাজেদি গমন কৰোঁ, তথাপি তুমি মোক জীয়াই ৰাখিলা, তুমি মোক শত্ৰুবোৰৰ ক্ৰোধৰ অহিতে তোমাৰ হাত মেলিবা, আৰু তোমাৰ সোঁ হাতে মোক পৰিত্ৰাণ কৰিব।

৮। যিহোৱাই মোৰ পক্ষে সকলোকে সিদ্ধ কৰিব, হে যিহোৱা, তোমাৰ দয়া চিৰকাললৈকে থাকে, তোমাৰ হাতৰ কৰ্মক ত্যাগ নকৰিবা।

## আপোনাৰ যুদ্ধবিলাকক বাচি লওক



### ৰেভাঃ এঞ্জেলীন ছেলভা কুমাৰী

*RECOGNIZE YOUR BATTLE FIELD!*

অলপতে মই মোৰ পৰিয়ালৰ সৈতে মোৰ বন্ধু এজনক লগ কৰিবলৈ গৈছিলো, তেওঁক মই বহুত দিনৰ পৰা লগ পোৱা নাছিলো। তেওঁক পৰিদৰ্শন কৰি মই বহুত আনন্দিত হৈছিলো। যিকি নহওক, নতুন নতুন পথ আৰু ভিন্ন ভিন্ন গতি পৰিৱৰ্তনৰ বাবে মই সঠিক পথ বিচাৰি গুগল মেপৰ সহায় ল'লো। আচৰিত কথা যে শেষত মই হেৰাই গ'লো। মই ইয়াক ক'ব লাগিব যে গুগল মেপক সন্মান কৰিছিলো, এই মেপে মোক উত্তম পথটোক দেখুৱাবলৈ চেষ্টা কৰি আছিল। কিন্তু আচল পথটো মেপত ওলোৱাই নাছিল আৰু মই সেইখিনিতেই ঘূৰি আছিলো। মোৰ বহুত পলম হৈ গৈ আছিল আৰু মই ধৈৰ্য্য হেৰুৱাই দিছিলো।

মই ভাবো আপোনালোকৰ বহুতেই এনে ধৰণৰ অভিজ্ঞতা হৈছে। যেতিয়া মই ট্ৰেফিক পইণ্টত আছিলো, তেতিয়া মই গুগলৰ নিৰ্দেশমতেই চিধাই যাম নে বা বাওঁফালে নে সোঁফালে যাম নিশ্চিত হ'ব নোৱাৰিলো। মই দেখিলো গুগল মেপে এটা ঠেক পথ দেখুৱাই আছে। তেতিয়াও মই নিশ্চিত হ'ব নোৱাৰিলো যে এই ঠেক পথেদি গাড়ীখন চলাই যাব পৰা হ'বনে। মোৰ মনৰ খেলিমেলি দূৰ কৰিবলৈ মোৰ সন্মুখতে থকা এজন বাইক আৰোহীক মই যোৱা নিৰ্দিষ্ট ঠাই ডোখৰৰ বিষয়ে সুধিলো। মই তেতিয়াহে সকাহ পালো যেতিয়া সেই মানুহজনে ক'লে যে তেওঁ সেই ঠাইতেই থাকে আৰু সেই সময়ত তেওঁ তালৈকে গৈ আছিল আৰু তেওঁ মোৰ আগে আগে বাট দেখুৱাই লৈ গ'ল।

৩ পৃষ্ঠাত চাওঁক


ইখ অফ হীজ কল



ইউ টিউব খ্ৰীষ্টিয়ান চেনেল

পালক, এচ, চাম, ছেলভা ৰাজৰ সৈতে

প্ৰাৰ্থনা কৰিবলৈ আপুনি এটা সুযোগ পাব।

Every day – From 2.00 A.M.

তামিল দেওবৰীয়া উপাসনা পুৱা ৮-৩০ বজাত

তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি (১৯৬৯ - ২০১৯ - সোণালী জয়ন্তী বৰ্ষ)

REACHING NATIONS



# আপোনালোকৰ প্ৰিয় ভাইজনৰ পৰা ...



**আমাৰ মিশ্বন নীতি**

আমি এই সমকালীন বংশলৈ পৌৰাণিক আৰু প্ৰথম শতিকাৰ পাঁচনিসকলৰ স্পষ্ট শিক্ষাবোৰক বিস্তাৰ কৰা আৰু শিক্ষা দিয়া উচিত। এইটোৱেই আজিৰ প্ৰয়োজন।

**HON. EDITOR-IN-CHIEF**
Rev. Angeline S. Kumari, M.A., M.Sc., M.Ed.
**MANAGING EDITOR**
Pastor Alex Samson Sam, B.Th., M.Div.
**GENERAL MANAGER**
Bro. N. Prakasam, M.A., M.Sc.(C&P), PGDHRM, MBA.
**ADMINISTRATION**
Sis. Jesy Veena Sam
Bro. K. Puratchivendan, M.Com., C.A., B.L.
Dr. P.E.R. Premchand, M.Sc., M.A., M.Ed., Ph.D.
Dr. C.G.S. Baburao, B.Tech., M.Tech. (DM), Ph.D.
Dr. Rabinder Boaz, M.S. (CMC)
**EDITORIAL BOARD**
Sis. Serena Bevin, M.A., M.Phil., B.Ed.
Sis. Sajini Cherian
Sis. L. Mariya Anjalin, M.A., M.Sc., B.Ed.
Rev. Dr. K.R. Rajasekaran

**EDITOR, PUBLISHER & PRINTER**
Pastor S. SAM SELVA RAJ
Echo of His Call Printers
10, Mohammed Abdullah 2nd Street,
Chepauk, Chennai- 600 005, India.
Phone : (+ 91- 44) 2852 8282, 2852 9293, 2854 7766
Cell : (+91) 98410 71852, 98412 71858
95661 31858
**E.MAIL ID**
sam@echoofhiscall.org
biblecor@yahoo.co.in
**WEBSITES**
www.echoofhiscall.org
www.stpaulsmatriculation.com
**YOUTUBE CHANNEL**
Echo of His Call

## আপোনালোকলৈ দয়া, শান্তি আৰু প্ৰেম বাহুল্যৰূপে হওঁক – যিহূদা ১:২

প্ৰভু যীচু খ্ৰীষ্টত মোৰ প্ৰিয় ভাই আৰু ভনীসকল!

প্ৰভু যীচু খ্ৰীষ্টৰ অনুগ্ৰহ আপোনালোকৰ সৈতে থাকক। আমি আশা কৰো যে আপোনালোক ভালে কুশলে আছে। আমি আপোনালোকৰ প্ৰয়োজনীয় বস্তুৰ বাবে একেৰাহে প্ৰাৰ্থনা কৰি আছো।



ভনী, চাজিনি চেৰিয়ান

ঈশ্বৰৰ পৰিচৰ্য্যা তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ বাবে তেওঁ যোগোৱা স্বৰ্গীয় বস্তুবোৰৰ বাবে আমি তেওঁক ধন্যবাদ জনাওঁ। আমি ঈশ্বৰৰ ওচৰত অতিকৈ কৃতজ্ঞ যে তেওঁ আমাৰ ইংৰাজী সহকাৰী সম্পাদক হিচাপে ভনী চাজিনি চেৰিয়ানক দিছে আৰু ভাই, উইলিয়াম যেকবাচ প্ৰিটৰিয়াচক আমাৰ আফ্ৰিকান সহকাৰী সম্পাদক হিচাপে দিছে। অনুগ্ৰহ কৰি এওঁলোকৰ বাবে প্ৰাৰ্থনা কৰক আৰু লগতে আমাৰ আন আন ১৪ গৰাকী সহযোগী সম্পাদকসকল আৰু তেওঁলোকৰ সহকাৰীসকলৰ বাবে প্ৰাৰ্থনা কৰক।



ভাই, উইলিয়াম যে'কবাচ প্ৰেটৰিয়াচ

আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পৰিচৰ্যাবিলাকৰ সকলো কাৰ্যকলাপৰ বাবে আমি ভাল সঁহাৰি পাই আছো। সমস্ত পৃথিৱীৰ লোকসকলৰ জীৱনত ঈশ্বৰে স্পৰ্শ কৰি আছে। আমি প্ৰভু ঈশ্বৰক ধন্যবাদ জনাওঁ যে তেওঁ আমাকো তেওঁৰ ৰাজ্য স্থাপন কৰাত ব্যৱহাৰ কৰি আছে।

আমি ইতিমধ্যে আপোনালোকলৈ লিখিছিলো যে, আমি আজিকালি বিভিন্ন ধৰণৰ আত্মিক যুদ্ধবিলাকৰ মাজেদি গৈ আছো। গতিকে আমাৰ বাবে প্ৰাৰ্থনা কৰিবলৈ আপোনালোকক আমি অনুৰোধ জনাইছো।

কিন্তু, যদিও আমি প্ৰতিকূল আত্মিক পৰিস্থিতিৰ মাজেদি গৈ থাকিলেও আমি আপোনালোকৰ বাবে প্ৰাৰ্থনা কৰিবলৈ বাদ দিয়া নাই। এই পৃথিৱীৰ পদ্ধতিবিলাকৰ দিনক দিনে পৰিৱৰ্তন হৈ আছে, গতিকে এই গোটেই পৃথিৱীত আমি যিমানেই ঈশ্বৰৰ দাসসকল আছো, সকলোৱে নিৰাপত্তাৰ বাবে পৰাক্ৰমী ঈশ্বৰৰ পৰা বিশেষ আশীৰ্বাদ লোৱাৰ প্ৰয়োজন আছে, যাতে আমি এই পৃথিৱীৰ লোকবিলাকলৈ আমাত থকা অভিষেকবোৰক বিনিময় কৰিব পাৰো। আমি ক'ব পাৰো যে আমিও আত্মিক যুদ্ধ ক্ষেত্ৰত আগশাৰীত আছো। আমাৰ প্ৰভু যীচু খ্ৰীষ্ট, আমাৰ কেপ্টেইন আৰু উদ্ধাৰকৰ্তা হয়। আমেন।

ঈশ্বৰে আপোনাক আৰু অধিক আশীৰ্বাদ কৰক।

**খ্ৰীষ্ট যীচুত আপোনালোকৰ সেৱক,**

পালক, এচ, চাম ছেলভা ৰাজ আৰু এলেক্স চেমচন চাম।

(+91) 98412 71858 / 98410 71858, E.mail : sam@echoofhiscall.org

**Our Ministries:** ECHO OF HIS CALL Monthly Magazines (16 languages) BIBLECOR - Postal Courses (3 languages) Media Ministry Online Courses Theological Correspondence Courses (2 languages) Church Planting Nehemiah Bible Colleges Gospel Printing Press Great Commission Partners St. Paul's Matriculation School Crusades Community Development

১ পৃষ্ঠাৰ পৰা

কিমান যে এটা সকাহ পোৱাৰ বিষয় আছিল! মোৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়টো এইয়ে আছিল যে যদিও মই সেই বাইক আৰোহীৰ পাছে পাছে গৈ আছিলো, মোৰ নিজৰ দিশ নিৰ্ণয় কৰা পদ্ধতিয়ে এই ৰাস্তাটোক নহয় যেন সংকেত দি আছিল। যি কি নহওক মোৰ মনত উৎপন্ন হোৱা মোৰ সন্দেহটোক একেবাৰে মনোযোগ নিদিবলৈ সিদ্ধান্ত কৰি ল'লো। কিয়নো যি ব্যক্তিজনক মই অনুসৰণ কৰি আছিলো তেওঁকমই সম্পূৰ্ণৰূপে বিশ্বাসত ল'লো। সেই ব্যক্তিজনে সঁচাকৈয়ে সেই স্থানটোক চিনি পাইছিল। নিজৰ গন্তব্য স্থানলৈ যাবলৈ কাৰোবাৰ ওপৰত নিৰ্ভৰ কৰাটো এটা ডাঙৰ সকাহ পোৱা যেন হয়।

আপোনাৰ জীৱনটো এনে এজন পথ নিৰ্দেশক লোক পাবলৈ আশা কৰেনে? যিজনে আপোনাৰ হৈ কঠিন আৰু জটিল সিদ্ধান্ত ল'ব পাৰে আৰু আপুনি কেৱল অনুসৰণ কৰি গৈ থাকিব লাগিব? আপুনি বিশ্বাস কৰক বা নকৰক, আমাৰো এনে এজন লোক আছে। তেওঁৰ নাম হৈছে যীচু খ্ৰীষ্ট। তেওঁ আমাৰ অতীত জানে, বৰ্তমান আৰু ভৱিষ্যতক জানে। তেওঁ আমাৰ অহাকালিৰ বিষয়ে ইতিমধ্যে জানিলেই। আমালৈ কিবা এটা অহাৰ আগেয়েই তেওঁ জানে। কিয়নো ইয়াৰ কাৰণ হৈছে তেওঁ জগত স্থাপন কৰাৰ আগেয়ে আমাক মনোনীত কৰিলে (ইফিচীয়া ১ঃ৩-৪)। আমাৰ প্ৰত্যেকজনৰ বাবে তেওঁৰ ওচৰত ধুনীয়া পৰিকল্পনাসমূহ আছে। যিৰিমিয়া ২৯ঃ১১ পদে এইদৰে ঘোষণা কৰে, "কাৰণ যিহোৱাই কৈছে, মই তোমালোকৰ বিষয়ে কৰা সংকল্পময়েই জানো, তোমালোকৰ শেষ অৱস্থাত তোমালোকক আশা দিবলৈ সেয়ে মঙ্গলৰ সংকল্প, অমঙ্গলৰ নহয়।"

আপোনাৰ জীৱনত যি ঘটিলেও, আমাৰ জীৱনে নিঃসন্দেহে পৰাক্ৰমী ঈশ্বৰে আমাৰ বাবে নিৰূপিত কৰা পৰিকল্পনাক অনুকৰণ কৰিব এইটোৰে আমাৰ প্ৰত্যাহবানবোৰ আৰু জীৱনৰ প্ৰতিকূল অৱস্থাত উত্তম বস্তুৰে ঘেৰি ৰাখিব।

## ১। উত্তম যুদ্ধ কৰক ঃ এজন যুঁজাৰু হওক এজন উদ্বেগজনক ব্যক্তি নহওক!

এইটোক চিনি পোৱাটো অতি গুৰুত্বপূৰ্ণ বিষয় যে যদিও প্ৰত্যাহবান, মোকাবিলা আৰু খেলিমেলিবিলাকৰ আজি আমি সন্মুখীন হৈ আছো, অৱশেষত এই সকলোবিলাক লাভৰ বাবেহে হৈ আছে। ঈশ্বৰে আমাৰ প্ৰত্যেককে যুঁজাৰু হ'বলৈ আহবান কৰিছে কিন্তু উদ্বেগ হ'বলৈ নহয়। জীৱনৰ পৰীক্ষাবিলাকে আমাক হতাশাত পেলাব আৰু জীৱনৰ উদ্দেশ্যক হেৰুৱায় দিব পাৰে। যি কি নহওক আমি পাহৰি যাব নালাগে যে যীচু খ্ৰীষ্টই এই পৃথিৱীলৈ আহি ক্ৰুচত মৃত্যুবৰণ কৰিলে আৰু আমালৈ অনন্ত জীৱন প্ৰকাশ কৰিবলৈ পুনৰ জীৱিত হৈছিল। আমাৰ জীৱনটো এটা অস্থায়ী জীৱন, অনন্ত জীৱনৰ বাবে প্ৰশিক্ষণৰ ক্ষেত্ৰত পৰিচৰ্যা কৰি আছো। আত্মাৰূপ প্ৰভুৰ দ্বাৰাই পৰিণত হোৱাৰ দৰে পৰিণত হৈ সেই একে মূৰ্তি হ'ব লাগিছো (২ কৰিন্থীয়া ৩ঃ১৮)। ১ তীমথিয় ৬ঃ১২ পদত পৌলে কোৱাৰ দৰে আমাৰ জীৱনৰ উদ্দেশ্য অনন্ত জীৱনত প্ৰৱেশ কৰা। গতিকে আমাক উত্তম যুদ্ধত যুঁজ কৰিবলৈ আহবান কৰা হৈছে।

পৌলৰ এই বাক্যবিলাকত, "বিশ্বাসৰ উত্তম যুদ্ধত যুঁজ কৰা। অনেক মানুহৰ উপস্থিতিত আপুনি সাক্ষ্য দিওঁতে আপুনি সেই উত্তম স্বীকাৰ কৰিলে, তেতিয়াই আপোনাক অনন্ত জীৱন পাবলৈ আমন্ত্ৰণ কৰা হৈছিল।"

আপুনি এই মহৎ যুদ্ধত কিদৰে জয়ী হ'ব পাৰিব? ই কেৱল মাত্ৰ বিশ্বাসৰ যোগেদিহে পাব পাৰিব। বিশ্বাসৰ অবিহনে আমি এই আত্মিক যুদ্ধত যুঁজ কৰিব নোৱাৰো আৰু ইয়াৰ অবিহনে আমি অনন্ত জীৱন পাব নোৱাৰো। ইয়াৰ অৰ্থই ইয়াকে বুজায় যে আমি আমাৰ অস্তিত্বৰ উদ্দেশ্যক হেৰুৱাই পেলাইছো। গীতমালা ১৪৪ঃ১,২ পদে সুন্দৰকৈ কৈছে, "যি জনাই মোৰ হাতক যুদ্ধ কৰিবলৈ শিকায়, সেই মোৰ শিলা যিহোৱা ধন্য হওক। ঈশ্বৰ আমাৰ স্বৰ্গীয় দলৰ প্ৰশিক্ষক আৰু সেনাধ্যক্ষ হয়, যিজনে আমাক যুদ্ধৰ বাবে তৈয়াৰ কৰায়। তেওঁ বাহিনীবিলাকৰ যিহোৱা, জীৱনৰ



*God trains my fingers for battle*

প্ৰত্যাহবানবোৰৰ সন্মুখীন হ'বলৈ শক্তি যোগায়। যাত্ৰাপুস্তক ১৫ঃ৩ পদত লিখা আছে যে, যিহোৱা পৰাক্ৰমী যুঁজাৰু; যিহোৱা তেওঁৰ নাম। আমাকো তেওঁৰ দৰে যুঁজাৰু হোৱাটো বিচাৰে কিন্তু উদ্বেগজনক নহয়। তাৰ পাছত সকলো ঠিক হৈ যাব, আমি তেওঁৰ নিৰ্দেশনাৰ অধীনত আছো। তেওঁ "সৰ্বজ্ঞানী সেনাপতি"। গতিকে হাৰ নামানিব! মনত ৰাখিব, আমি এখন যুদ্ধত যুঁজি আছো, আমাৰ সেনাপতি কালবাৰী ক্ৰুচৰ প্ৰভুৰ দ্বাৰাই ইতিমধ্যে আমি জয়ী হৈছো।

## ২। যুদ্ধ কৰিবলৈ অস্ত্ৰ শস্ত্ৰ!

যুদ্ধত যুঁজ কৰিবৰ অৰ্থে ঈশ্বৰে আমাক শক্তিশালী অস্ত্ৰ-শস্ত্ৰবোৰ দিছে। ২ কৰিন্থীয়া ১০ঃ৪ পদত আমি এই অস্ত্ৰৰ বিষয়ে পঢ়িবলৈ পাওঁ ঃ "কিয়নো আমাৰ যুদ্ধৰ অস্ত্ৰ-শস্ত্ৰ মাংসিক নহয়, কিন্তু দুৰ্গ ভাঙিবলৈকো ঈশ্বৰৰ আগত বলৱান।"

এই অস্ত্ৰ-শস্ত্ৰবোৰ ইমানেই শক্তিশালী যে এইবোৰে ডাঙৰ ডাঙৰ দুৰ্গক ভাঙি দিব পাৰে। হ'ব পাৰে এইটো এটা পাপ, বন্দী বা বংশগত অভিশাপ যিবোৰে আমাক ব্যৰ্থতাৰ অনুভৱ কৰায়। যদি আপুনি আপোনাৰ পৰিয়ালত একেধৰণৰ ৰোগ বা ভগ্নতা হোৱা দেখে তেতিয়া এই অস্ত্ৰবোৰ ব্যৱহাৰ কৰাৰ সময় আহি যায়। যিজন প্ৰভু যীচু খ্ৰীষ্টই কালবাৰী ক্ৰুচত আমাৰ বাবে তেজ বোৱাইছিল সেইজনৰ নামত জয়যুক্ত হ'বলৈ দাবী কৰক। এই অস্ত্ৰ-শস্ত্ৰবোৰক ব্যৱহাৰ কৰি আহক আমি আৰম্ভ কৰোহক - ঈশ্বৰে আমাৰ জীৱন যুদ্ধৰ বিৰুদ্ধে যুঁজ কৰিবলৈ।

## সকলো যুদ্ধত যুঁজ কৰিবলগীয়া নহয়!

যি কি নহওক, আমি উপলব্ধি কৰিব লাগে যে সকলো যুদ্ধবোৰত যুঁজ কৰাৰ প্ৰয়োজন নাই। কিছুমান যুদ্ধ বা প্ৰত্যাহবানবোৰে আমাক মূল উদ্দেশ্যৰ পৰা অমনোযোগী কৰাই দিয়ে। আমি জ্ঞানেৰে আমাৰ যুদ্ধবিলাকক বাছি ল'ব লাগে। আপুনি আপোনাৰ শক্তি, সময় আৰু পৰাক্ৰমবোৰক অযথা যুদ্ধত ব্যৱহাৰ কৰি নষ্ট নকৰিব। যদি আপুনি আমাৰ জীৱনত অহা যুদ্ধৰ বিষয়ে ব্যস্ত হৈ থাকিলে আপুনি ভাগৰি যাব আৰু ভাগি পৰিব। ঈশ্বৰে আমাক আহবান কৰা প্ৰকৃত যুদ্ধত যুঁজ কৰিব আমি নোৱাৰিম।

## যিমান ডাঙৰ আহবান সিমান ডাঙৰ প্ৰত্যাহবানবোৰ থাকে !

যেতিয়া ঈশ্বৰে আপোনাক মহান আজ্ঞাৰ বাবে আহবান কৰে, ইয়াক পৰিপূৰ্ণ কৰাৰ সময়ত অনেক প্ৰত্যাহবানবোৰে আপোনাক বাধা দিবলৈ চেষ্টা কৰিব। যি কি নহওক, যদি আমি প্ৰত্যাহবানবোৰৰ ওপৰত অধিক মনোযোগ দিওঁ তেন্তে আমি এইবোৰৰ পাছত থকা আশীৰ্বাদক হেৰুৱাই দিম।

১ চমুৱেলৰ পুস্তকত দায়ুদ আৰু গলিয়াথৰ কাহিনীৰ প্ৰতিকৃতিৰ দৰে, ইয়াক ধুনীয়াকৈ বুজায় দিছে আমাৰ বহুতৰ বাবে এটা পৰিচিত কাহিনী।

ইয়াত আমি পাওঁ যে গলিয়াথে ইস্ৰায়েলসকলক এজন এজনকৈ যুদ্ধ কৰিবলৈ প্ৰত্যাহবান জনাইছে। সি নিষ্ঠুৰভাৱে ৪০ দিন ধৰি তেওঁলোকৰ ওপৰত চিএঞৰি চিএঞৰি অভিশাপ দিছিল, সি ইস্ৰায়েলবিলাকৰ মাজত ভয়, ত্ৰাসৰ সৃষ্টি কৰিছিল। কিন্তু ইস্ৰায়েলৰ সকলো লোকে সেই মানুহক দেখি, অতিশয় ভয় কৰি তাৰ সন্মুখৰ পৰা পলাল (১ চমুৱেল ১৭ঃ২৪)।

যি কি নহওক ১ চমুৱেল ১৭ঃ২৪ পদত দায়ুদৰ প্ৰত্যুত্তৰৰ বিষয়ে পৰীক্ষা কৰি চাওঁহক। ... সেই অচুন্নৎ পলেষ্টীয়াটোনো কোন, যে সি জীৱন্ত ঈশ্বৰৰ সৈন্যবিলাকক ইতিকিং কৰিব? দায়ুদে পলেষ্টীয়াবিলাকৰ বাক্যক সুনি ধৈৰ্য নধৰিলে। আমি যদি তেওঁৰ প্ৰতিক্ৰিয়াক গভীৰভাৱে বিশ্লেষণ কৰো, তেন্তে আমি দায়ুদৰ যুদ্ধ কৌশলক বুজিব পাৰিম।

তেওঁ তেওঁৰ সমস্যাক ঈশ্বৰৰ লগত সংযোগ কৰিছে আৰু তেওঁৰ বিৰুদ্ধে মাত মাতিবলৈ কাকো সুবিধা দিব নিবিচাৰে। দায়ুদৰ দৃষ্টিত এই যুদ্ধখন তেওঁৰ নিজৰ নহয় কিন্তু ঈশ্বৰৰ হয়।

আমি প্ৰায়েই আমাৰ যুদ্ধবিলাকক নিজৰ হাতত ল'বলৈ চেষ্টা কৰো আৰু যুদ্ধ কৰো। প্ৰিয় বন্ধুসকল, আপোনালোকে নিজৰ যুদ্ধবিলাকক ঈশ্বৰলৈ সমৰ্পিত কৰিবলৈ উৎসাহ দিছো। কিয়নো তেওঁ এজন পৰাক্ৰমী যুঁজাৰু হয়। তেওঁ আপোনাৰ হৈ যুদ্ধ কৰিব। দুৰ্ভাগ্যক্ৰমে আমি প্ৰায়েই স্বাধীনভাৱে সকলো কাৰ্যক নিয়ন্ত্ৰণ কৰিবলৈ গৈ ক্লান্ত হওঁ, যাৰ বাবে আমি চিন্তাত পৰি যাওঁ আৰু আমি কেতিয়াবা আমি আমাৰ বিশ্বাসৰ পৰা দূৰলৈ গুচি যাওঁ।

### ৩। সকলো বস্তুৱে ভালৰ বাবে কাৰ্য কৰে

প্ৰিয় ভাই আৰু ভনীসকল, দায়ুদক যুদ্ধ ক্ষেত্ৰলৈ অনাত ঈশ্বৰৰ হাতত এটা বিশেষ পৰিকল্পনা আছিল। যদিও দায়ুদে প্ৰথমতে ভাবিছিল যে তেওঁ তেওঁৰ ভাই-ককাইহঁতক খুৱাবলৈ আহাৰ আনি দিছে, কিন্তু ঈশ্বৰৰ হাতত স্বৰ্গীয় পৰিকল্পনা আছে। দায়ুদক ইস্ৰায়েলৰ ৰজা বনাবলৈ এইটো প্ৰথম পদক্ষেপ আছিল। সেই সময়ত দায়ুদে একো গমেই পোৱা নাছিল। ঈশ্বৰে তেওঁৰ বাবে এটা আচৰিত পৰিকল্পনা ৰচিছিল আৰু আশীৰ্বাদ জমা কৰি ৰাখিছিল, কিন্তু তেওঁ প্ৰথমে এটা প্ৰত্যাহবানৰ সন্মুখীন হ'বলৈ আছিল, সেইটো আছিল যুদ্ধ। এই বিষয়টি আমাৰ জীৱনৰ অনেক দিশত শিক্ষা দিয়ে। বহুত সময়ত আমি আমাৰ আগত থকা আশীৰ্বাদবোৰলৈ মন দিয়াৰ পৰিৱৰ্তে আমি যুদ্ধত শেষ হৈ যাওঁ।

ঈশ্বৰে দায়ুদক যুদ্ধ ক্ষেত্ৰত গলিয়াথক মুখামুখি হোৱাটো বিচাৰিছিল। সেইটো এটা ঈশ্বৰৰ স্বৰ্গীয় পৰিকল্পনা আছিল। যিকি নহওক, চয়তানে সদায় আমাৰ জীৱনত ঈশ্বৰৰ পৰিকল্পনা পৰিপূৰ্ণ হোৱাত বাধা দিব বিচাৰে।

### ৪। ঘূৰি আহিবলৈ শিকক !

যেতিয়া দায়ুদে অতি আবেগ আৰু আগ্ৰহেৰে কথা পাতি আছিল, তেওঁ এটা মাত



*David fought with Goliath*

শুনিলে। চামুৱেল ১৭ঃ২৮ পদত এইটো উল্লেখ কৰা আছে যে "তেওঁৰ বৰ ককায়েক ইলীয়াবে তেওঁক লোকবিলাকৰ সৈতে কথা-বাৰ্তা কৰা দেখিলে, তেওঁ ক্ৰুদ্ধ হৈ দায়ুদক ক'লে তই কিয় নামি আহিলি? পথাৰৰ মাজতে সেই তাকৰীয়া মেৰকেইটাক কাৰ হাতত দি আহিলি? ইলীয়াবে দায়ুদক নিজ মইমতালি কৰিবলৈ আৰু মনত দুষ্টতা লৈ অহা বুলি অভিযোগ কৰিলে আৰু আনকি তেওঁ

৬ পৃষ্ঠাত চাওঁক

नहेम्याह बाइबल कॉलेज
रेसिडेन्शल कॉलेज, चेन्नई।
माध्यमः हिन्दी
सदस्यता के लिए पंजीकृत उम्मीदवार - ATA
सुविख्यात अंतर्राष्ट्रीय मसीही अगुवे तथा पिछले 54 वर्षों से सेवारत वरिष्ठ पासवान
Certificate in Ministry
Diploma in Theology
योग्यता 10 वी या अधिक
जल्दी करें!
Contact : The Chairman, Nehemiah Bible College.
10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA.
Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858
E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org
✶ ऑनलाइन कक्षाएं उपलब्ध हैं ✶

GREAT COMMISSION PARTNERS
ECHO OF HIS CALL MINISTRIES
SINCE 1969

# প্ৰধান আজ্ঞাৰ অংশীদাৰসকল

**বিলোৱা** (গালাতীয়া ৬ঃ২),
**সমৰ্থন আগবঢ়োৱা** (ৰোমীয়া ১২ঃ১৩) **আৰু**
**আগবাঢ়ি যোৱা** (২ তীমথিয় ১ ঃ ৬)

## প্ৰাৰ্থনাৰ অনুৰোধবোৰ



(অনুগ্ৰহ কৰি এই তালিকাখনি উলিয়াওক, ভাজ কৰক আৰু ইয়াক আপোনাৰ বাইবেলখনৰ ভিতৰত ৰাখক আৰু নিয়মীয়াকৈ প্ৰাৰ্থনা কৰক)

**প্ৰাৰ্থনা আৰু প্ৰশংসাৰ বিষয়সমূহ ঃ ২০২৩ চনৰ ১৯ নৱেম্বৰৰ পৰা ২০২৩ চনৰ ১৮ ডিচেম্বৰলৈ**

## ঈশ্বৰলৈ প্ৰশংসাৰ বিষয়সমূহ ...

**নৱেম্বৰ ১৯ ঃ** আমাৰ নহিমিয়া বাইবেল কলেজ কেইখনৰ ২০২৩-২৪ বৰ্ষৰ প্ৰথম চেমিষ্টাৰ সফলতাৰে সম্পন্ন কৰাত আমি আশীৰ্বাদ পাইছো।

**নৱেম্বৰ ২০ ঃ** আমাৰ ছপাশালত ১৯ টা ভাষাত আলোচনীসমূহ ছপা কৰি মিশ্বন ফিল্ডলৈ পঠিওৱাত আমাক সমৰ্থ কৰিছে।

**নৱেম্বৰ ২১ ঃ** আমাৰ হস্পিতেল পৰিচৰ্যাত ঈশ্বৰৰ আচৰিত কৰ্মৰ বাবে।

**নৱেম্বৰ ২২ ঃ** আমাৰ কেন্দ্ৰীয় মণ্ডলী আৰু শাখা মণ্ডলীবিলাকত দেওবৰীয়া উপাসনাৰ বাবে আৰু শুভবাৰ্তা নোপোৱা ঠাইত শুভবাৰ্তাৰ বাবে।

**নৱেম্বৰ ২৩ ঃ** বিভিন্ন পৰিচৰ্যাৰ মাধ্যমেৰে শুভবাৰ্তা প্ৰচাৰ কৰিবলৈ আমাৰ জেষ্ঠ পালকৰ অঙ্গীকাৰৰ বাবে।

**নৱেম্বৰ ২৪ ঃ** তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ আলোচনী পৰিচৰ্যাক সমৰ্থন কৰা সমৰ্পিত সহকাৰী সম্পাদকসকলৰ সৈতে আমাৰ পৰিচৰ্যাক আশীৰ্বাদ কৰাৰ বাবে।

**নৱেম্বৰ ২৫ ঃ** আমাৰ প্ৰাৰ্থনাৰ অংশীদাৰসকল, প্ৰকাশ অংশীদাৰসকল, বিশ্বাসৰ অংশীদাৰসকল, জীৱন অংশীদাৰসকল আৰু মহান আজ্ঞাৰ অংশীদাৰসকল আৰু তেওঁলোকৰ পৰিয়ালবৰ্গলৈ তেওঁৰ দয়াৰ বাবে।

**নৱেম্বৰ ২৬ ঃ** আমাৰ নিয়মীয়া সমৰ্থনকাৰীসকল আৰু আমাৰ পৰিচৰ্যাত তেওঁলোক লিপ্ত হৈ থকাৰ বাবে।

**নৱেম্বৰ ২৭ ঃ** আমাৰ তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ পৰিচৰ্যা, আমাৰ কাৰ্যালয় আৰু ছপাশালৰ কৰ্মীসকলৰ বাবে।

**নৱেম্বৰ ২৮ ঃ** আমাৰ ইংৰাজী নতুন সহকাৰী সম্পাদিকা ভনী চাহজিনী চেৰীয়ান আৰু আফ্ৰিকা মূলৰ নতুন সহকাৰী সম্পাদক ভাই ইউলেম যাকবাচ প্ৰিটিৰিয়াচক যোগোৱাৰ আশীৰ্বাদৰ বাবে।

**নৱেম্বৰ ২৯ ঃ** আমাৰ তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ ইউ টিউব পৰিচৰ্যাৰ যোগেদি শুভবাৰ্তা নোপোৱা ঠাইবিলাকত শুভবাৰ্তা বিলোৱাত সহায় কৰাৰ বাবে।

**নৱেম্বৰ ৩০ ঃ** আমাৰ কেন্দ্ৰীয় মণ্ডলী আৰু ইয়াৰ শাখা মণ্ডলীবিলাকৰ চান্ডে স্কুলত আৰু অধিক শিশুসকলক অনাৰ দ্বাৰাই আশীৰ্বাদ কৰাৰ বাবে।

**ডিচেম্বৰ ১ ঃ** আমাৰ চেইণ্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুল আৰু নহিমিয়া বাইবেল কলেজ কেইখনৰ শিক্ষক আৰু ছাত্ৰসকলৰ স্বৰ্গীয় নিৰাপত্তাৰ সৈতে আশীৰ্বাদ কৰাৰ বাবে।

**ডিচেম্বৰ ২ ঃ** আমাৰ বাসগৃহ আৰু সন্ধ্যাৰ নহিমিয়া বাইবেল কলেজত আৰু অধিক ছাত্ৰ-ছাত্ৰীসকলক যোগোৱাৰ দ্বাৰাই দ্বিতীয় চেমিষ্টাৰ আৰম্ভ কৰাত আশীৰ্বাদ কৰাৰ বাবে।

**ডিচেম্বৰ ৩ ঃ** তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ পৰিচৰ্যাসমূহৰ কাৰ্যকলাপত তেওঁৰ হাত থকাৰ বাবে।

## অনুগ্ৰহ কৰি প্ৰাৰ্থনা কৰক...

**ডিচেম্বৰ ৪ ঃ** আমাৰ জেষ্ঠ পালক এচ, চাম ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালবৰ্গক সকলো ধৰণৰ মন্দ শক্তিৰ পৰা ৰক্ষা কৰিবলৈ।

**ডিচেম্বৰ ৫ ঃ** আমাৰ জেষ্ঠ পালকে তেওঁৰ আত্মজীৱনী লিখাত কৃতকাৰ্য হ'বলৈ।

**ডিচেম্বৰ ৬ ঃ** সমস্ত পৃথিৱীৰ পালক আৰু মিশ্বনেৰীসকলৰ স্বৰ্গীয় নিৰাপত্তাৰ বাবে।

**ডিচেম্বৰ ৭ ঃ** আমাৰ নহিমিয়া বাইবেল কলেজ কেইখনৰ বাবে এ,টি,এ দ্বাৰাই স্বীকৃতিপ্ৰাপ্ত লাভ কৰিবৰ বাবে।

**ডিচেম্বৰ ৮ ঃ** আমাৰ চেইণ্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুল আৰু নহিমিয়া বাইবেল কলেজৰ কৰ্মী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ বাবে।

**ডিচেম্বৰ ৯ ঃ** পৃথিৱীৰ যুৱক-যুৱতী আৰু শিশুসকলৰ মাজৰ পৰা আত্মহত্যাৰ আত্মাক গুচাই দিবৰ বাবে।

**ডিচেম্বৰ ১০ ঃ** সমস্ত পৃথিৱীত ঘূৰ্ণী বতাহ আৰু ভূমিকম্পৰ দৰে প্ৰাকৃতিক দুৰ্যোগৰ পৰা ৰক্ষা কৰিবৰ বাবে।

**ডিচেম্বৰ ১১ ঃ** সকলো ধৰ্মৰ মাজত একতা থাকিবৰ বাবে।

**ডিচেম্বৰ ১২ ঃ** আমাৰ শুভবাৰ্তা পৰিচৰ্যাৰ বিস্তাৰকৰণ আৰু পৃথিৱীজোৰা শুভবাৰ্তা প্ৰচাৰৰ বাবে।

**ডিচেম্বৰ ১৩ ঃ** পিতৃ-মাতৃবিলাকে তেওঁলোকৰ পুত্ৰ-কন্যা আৰু শিশুবিলাকক লালন-পালন কৰাত স্বৰ্গীয় সহায়ৰ বাবে।

**ডিচেম্বৰ ১৪ ঃ** পৃথিৱীজোৰা পৰিচৰ্যাত খ্ৰীষ্টিয়ানসকলৰ মাজত ডাঙৰ জাগৰণৰ বাবে।

**ডিচেম্বৰ ১৫ ঃ** ভাৰতৰ মণিপুৰ ৰাজ্যত শান্তি আৰু ঐক্যতা পুনৰ ঘূৰি আহিবৰ বাবে।

**ডিচেম্বৰ ১৬ ঃ** আমাৰ কেন্দ্ৰীয় মণ্ডলীত আৰু শাখা মণ্ডলীবিলাকত বিশ্বাসীবিলাকৰ সুস্বাস্থ্যৰ বাবে আৰু স্বৰ্গীয় নিৰাপত্তাৰ বাবে।

**ডিচেম্বৰ ১৭ ঃ** আমাৰ তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ ইউ টিউব মিডিয়া পৰিচৰ্যাৰ যোগেদি অনেক আত্মাবিলাকে পৰিত্ৰাণ পাবৰ বাবে।

**ডিচেম্বৰ ১৮ ঃ** তৰুণ-তৰুণী আৰু শিশুবিলাকৰ বাবে বিশ্ব দৰ্শন পৰিচৰ্যা নামৰ আমাৰ সংস্থাটোৰ বাবে প্ৰাৰ্থনা কৰিবলৈ আৰু অধিক লোকসকলক নামভৰ্তি কৰিবৰ বাবে।

*(চতুৰ্থ পৃষ্ঠাৰ পৰা)*

কেৱল ৰণ চাবলৈহে আহিছিল বুলি কৈছিল। দায়ুদৰ ওপৰত তেওঁৰ এই অভিযোগটো তীক্ষ্ণ আৰু আঘাতপ্ৰাপ্ত আছিল।

দায়ুদে একো বুজিবকে পৰা নাছিল যে তেওঁক কিয় এইদৰে ব্যৱহাৰ কৰা হৈছে বা অভিযোগ কৰা হৈছে আৰু তেওঁ ক'লে, মইনো কি ভুল কৰিলো। মই কেৱল কথাহে কৈছো মাথোন। অৱশেষত ১ চামূৱেল ১৭ঃ২৯ আৰু ৩০ পদত উল্লেখ কৰাৰ দৰে তেওঁ সেই পৰিস্থিতিৰ পৰা ওলাই আহিবলৈ সিদ্ধান্ত ল'লে। এই পদটি মোৰ লগত খাপ খাইছে কিয়নো কেতিয়াবা আমি ঘূৰি আহিব লাগে বা ওলাই আহিব লাগে। সদায় আমি আমাৰ পথত অহা সকলো যুদ্ধত লিপ্ত হোৱাৰ প্ৰয়োজন নাই।

দায়ুদে তেওঁৰ বিৰুদ্ধে উঠা মিছা অভিযোগক ৰক্ষা কৰিবলৈ তেওঁৰ ককায়েকৰ সৈতে তেওঁ তৰ্ক কৰিব পাৰিলেহেঁতেন। ইমান মানুহৰ সন্মুখত তেওঁক অপমান আৰু বদনাম কৰাৰ বাবে তৰ্ক কৰাৰ অধিকাৰ তেওঁৰ আছিল কিন্তু দায়ুদে এইদৰে নকৰিবলৈ সিদ্ধান্ত ল'লে। পৰিৱৰ্তে তেওঁ তাৰ পৰা ঘূৰি গ'ল।

## ৫। আপোনাৰ যুদ্ধক্ষেত্ৰক নষ্ট নকৰিব!

প্ৰিয় বন্ধুসকল, কিছুমান পৰিস্থিতিৰ পৰা ঘূৰি আহিবলৈ ঈশ্বৰে আমাক জ্ঞান দান কৰক। আপোনালোকক এটা ডাঙৰ উদ্দেশ্যৰ বাবে আহবান কৰা হৈছে, গতিকে আপোনাক যি কাৰ্যৰ বাবে আহ্বান কৰা হৈছে তাক কৰিবলৈ 'ইলীয়াবৰ কথাবোৰে' আপোনালোকক বাধা নিদিয়ক। পৰিৱৰ্তে আমাৰ জীৱনত 'ইলীয়াববোৰৰ' বিৰুদ্ধে যুদ্ধ কৰাতকৈ 'গলিয়াথবোৰৰ' সন্মুখীন হ'বলৈ মনোযোগ দিয়ক। ঈশ্বৰৰ বাবে জীয়াই থাকিবলৈ সিদ্ধান্ত লওঁতে বাধা আৰু বিৰোধবোৰৰ সন্মুখীন হোৱাটো আমাৰ বাবে সাধাৰণ কথা। এই বাধাবোৰ ইলিয়াবৰ দৰে মানুহৰ পৰা আহিব পাৰে। যদি আমি সিহঁতৰ অভিযোগবোৰ আৰু ঋণাত্মক মন্তব্যবোৰত গ্ৰাস হওঁ, তেন্তে আমাৰ আগ্ৰহ, সমৰ্পণ আৰু উদ্যমতাবোৰ নাইকীয়া হৈ যাব।

ইলীয়াবে কৰা অভিযোগবোৰলৈ এবাৰ চাওঁহক ঃ



**ইলীয়াবে দায়ুদক প্ৰশ্ন কৰিছিল**

"তই কিয় নামি আহিলি?"

"তোৰ নিজ মইমতালি আৰু মনৰ দুষ্টতাক মই জানো।"

"তই কেৱল ৰণ চাবলৈহে আহিলি।"

যদি দায়ুদে ইলীয়াবৰ সেই সকলো অভিযোগবোৰৰ উত্তৰ দিলেহেঁতেন তেন্তে তেওঁ গলিয়াথক বাদ দি ইলীয়াবৰ লগতহে যুদ্ধ কৰিলেহেঁতেন। যুদ্ধক্ষেত্ৰলৈ অহা তেওঁৰ উদ্দেশ্যক সম্পূৰ্ণ কৰিব নোৱাৰিলেহেঁতেন। যেতিয়া ঈশ্বৰে আপোনাক গলিয়াথৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ আহবান কৰিছে, ইলীয়াবৰ সৈতে সময়ক নষ্ট নকৰিব। আপোনাক যুদ্ধক জ্ঞানেৰে বাচি লওক। আমাৰ যুদ্ধ জগতৰ ইলীয়াববোৰৰ বিৰুদ্ধে নহয় কিন্তু 'গলিয়াথবোৰৰ' বিৰুদ্ধেহে হৈছে। তাৰ পৰা ওলাই যাবলৈ শিকক।

## ৬। আগলৈ দৌৰিবলৈ শিকক!



আমি কেতিয়া ঘূৰি যাব লাগে আৰু কেতিয়া আগলৈ যাব লাগে তাক শিকাৰ প্ৰয়োজন আছে। ৪৮ পদত আমি পাওঁ যে, দায়ুদে গলিয়াথৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ বেগাই সৈন্য শ্ৰেণীৰ ফাললৈ আগুৱাই গ'ল। যেতিয়া প্ৰত্যেকেই গলিয়াথৰ পৰা বাছিবলৈ পলায়ন কৰিছিল তেতিয়া দায়ুদ গলিয়াথৰ ফাললৈ দৌৰি গৈছিল। আপোনাৰ যুদ্ধক বাচি ল'বলৈ শিকক। নিৰাশা, অভিযোগ, মিছা, অপমানৰ বাক্যবোৰক অৱজ্ঞা কৰিবলৈ শিকক আৰু আপোনাৰ আহবানৰ প্ৰতি মনোযোগ দিয়ক। জীৱনৰ উদ্দেশ্যক জানি লওক আৰু তাৰ ফালে লৰি যাওক। কেতিয়াও পৰিত্যাগ নকৰিব।

*....Contd. to page 9*

**নহিমিয়া বাইবেল সন্ধ্যা মহাবিদ্যালয়**
চেপাক আৰু সন্তোষাপুৰম, চেন্নাই
মাধ্যম ঃ তামিল
যোৱা ৫৪ বছৰ ধৰি আন্তৰাষ্ট্ৰীয়
**খ্ৰীষ্টিয়ান চলাওঁতাসকল আৰু জ্যেষ্ঠ পালকসকলৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত আৰু খ্ৰীষ্টিয়ান নেতাসকলৰ দ্বাৰা অনুমোদন প্ৰাপ্ত! ATA লৈ**
Certificate in Ministry
Diploma in Theology
অৰ্হতা ঃ দশম শ্ৰেণী উত্তীৰ্ণ বা অধিক
নামভৰ্তিৰ বাবে যোগাযোগ কৰক!
Contact : The Chairman, Nehemiah Bible College.
10, MOHAMMED ABDULLAH 2ND STREET, BELLS ROAD, CHEPAUK, CHENNAI - 600 005, INDIA.
Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858
E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org

# PLEASE PRAY FOR OUR MINISTRIES AT THE HEAD QUARTERS

1. Prayer Service : 24 hours
2. **BIBLECOR** - Bible Correspondence Courses : English, Tamil & Hindi
3. **ECHO OF HIS CALL** - Monthly Magazines : English, Tamil, Malayalam, Telugu, Hindi, Kannada, Marathi, Gujarati, Bengali, Odiya, Nepali, Assamese, Punjabi, Urdu, Sinhala & Afrikan.
4. Nehemiah Bible Colleges (Three Centres) (Evening / Residential)
5. Theological Correspondence Courses: English & Tamil
6. Great Commission Partners (Network of Pastors)
7. Training Programmes
8. Crusades
9. Literature Distribution and Follow Up
10. Gospel Printing Press - Publications
11. St. Paul's Matriculation School - Village English High School

| | | |
|---|---|---|
| 12. Sunday Schools | : | 8.30 a.m. & 4.00 p.m. Sunday |
| **13. Tamil Services** | **:** | **8.00 a.m. & 10.00 a.m. Sunday** |
| **14. Hindi Service** | **:** | **4.00 p.m. Sunday** |
| **15. Telugu Service** | **:** | **5.00 p.m. Sunday** |
| **16. English & Tamil Service** | **:** | **6.00 p.m. Sunday** |
| 17. Women's Prayer | : | 5.30 p.m. Wednesday |
| 18. Men's Prayer | : | 7.00 p.m. Friday |
| 19. Discipleship Meeting | : | 6.00 p.m. Saturday |
| 20. House Meetings | : | 6.30 p.m. Tuesday & Thursday |
| 21. Special Holy Communion | : | 6.00 a.m. 1st day of each month |
| 22. Ministers Review Meeting | : | 5.30 p.m. First Saturday |
| 23. Parents' Prayer | : | 4.00 p.m. First Sunday |
| 24. Night Prayer | : | 9.30 p.m. Second Friday |
| 25. Fasting Prayer | : | 9:30 a.m. Third Saturday |
| 26. Holy Communion | : | Second Sunday Services |
| 27. Youth / Kid Prayer | : | 10.00 p.m. daily |
| 28. Staff Devotion | : | 9.00 a.m. daily |
| 29. Office | : | 9.00 a.m. to 9.00 p.m. (except Sundays) |

## ডাক বিভাগৰ জৰিয়তে তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পাঠ্যক্ৰম কেৰল ভাৰতীয় প্ৰাৰ্থীসকলৰ বাবে

### ১। বিব্লিকৰ

বাইবেলৰ সত্যতাৰ ওপৰত ভিত্তি কৰি আমি ইংৰাজী ৫৭ পৃষ্ঠা, হিন্দী ৭৬ পৃষ্ঠা আৰু তামিলত ৯৬ পৃষ্ঠাৰ ডাক বিভাগৰ জৰিয়তে পাঠ্যক্ৰম আগবঢ়াইছো। আপোনাৰ বাবে নতুন জীৱন - নামেৰে এখন পাঠ্যক্ৰমৰ কিতাপ লাভ কৰিব। এই পাঠ্যক্ৰমৰ অন্তত, আপুনি এখন চাৰ্টিফিকেট লাভ কৰিব। ইয়াৰ বাবে কোনো নিৰ্দিষ্ট মাচুলৰ প্ৰয়োজন নহ'ব। আপুনি আশীৰ্বাদ প্ৰাপ্ত হ'ব।

### ২। থিয়'লজিকেল যোগাযোগৰ পাঠ্যক্ৰম

পালকসকল, প্ৰচাৰকসকল আৰু খ্ৰীষ্টিয়ান নেতাসকল আৰু সাধাৰণ লোকৰ বাবেও থিয়'লজিকেল যোগাযোগ পাঠ্যক্ৰম যাক উন্নত দূৰত্বৰ শিক্ষা বোলা হয়। ইংৰাজীত ৫৩৭ পৃষ্ঠাৰ আৰু তামিলত ৬৫২ পৃষ্ঠাৰ যিসকলৰ ঈশ্বৰৰ পৰিচৰ্যা কৰিবলৈ ইচ্ছুক ল'ব পাৰিব। ১০০০ টকাৰ মাচুল লোৱা হ'ব। ১৪৯ পাঠৰ ৭ খন পুস্তক পঠিওৱা হ'ব। **চাৰ্টিফিকেট ইন মিনিষ্ট্ৰি** বঁটা দিয়া হ'ব। ঈশ্বৰে আপোনাক আশীৰ্বাদ কৰক!

*অধিক জানিবৰ বাবে আমালৈ আজিয়েই লিখক*

**The Chairman, Nehemiah Bible College,**
**Echo of His Call,** Post Box 2957
CHEPAUK, CHENNAI - 600 005.
**Ph.: (044) 2852 8282, 2852 9293, 2854 7766,**
**Cell : 98410 71852, 95661 31858**
**E.mail : biblecor@yahoo.co.in**

## মাহেকীয়া আলোচনী তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি বিনামূল্য পাবলৈ এটি সুন্দৰ সুযোগ

যদিহে আপুনি আপোনাৰ বন্ধুবৰ্গৰ/আত্মীয়ৰ ঠিকনা ডাকৰ যোগেদি, পত্ৰৰ যোগেদি, ই-মেইল, হোৱাটচ এপৰ জৰিয়তে আমালৈ পঠিয়াই, আমি তেওঁলোকলৈ বিনামূল্যে তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি আলোচনী পঠিয়াই দিম।

## কৰ ৰেহাই

ইখ অব হিজ কল, এডুকেচ্নেল ট্ৰাষ্টলৈ কোনো ব্যক্তিগতভাৱে অথবা সংস্থানৰ যোগেদি বৰঙণি দিলে Income Tax Actৰ চেকশ্বন 80 G দ্বাৰা কৰ ৰেহাই হ'ব। ইয়াৰ বাবে কাৰ্য্যালয়ৰ পৰা ৰচিদ দিয়া হ'ব। অনুগ্ৰহ কৰি আপোনাৰ চেক/ড্ৰাফ্ট/মণি অৰ্ডাৰ "ECHO OF HIS CALL EDUCATIONAL TRUST" নামলৈ পঠিয়াওক।

| | | |
|---|---|---|
| **Account Name** | : | **ECHO OF HIS CALL EDUCATIONAL TRUST** |
| **Account Number** | : | **1023 2923 805** |
| **Bank Name** | : | **STATE BANK OF INDIA** |
| **Branch** | : | **TRIPLICANE, CHENNAI - 600 005** |
| **IFSC Code** | : | **SBIN 0000249** |
| **SWIFT Code** | : | **SBI NIN BB 455** |



# গৰাহৰ পৰা ৰাজগৃহলৈ
# PIT TO PALACE

(পালক এচ, চাম ছেলভা ৰাজৰ জীৱনৰ অভিজ্ঞতা)

"যিজনে পঢ়ে, তেওঁ বুজক" মথি ২৪ ঃ ১৫

## তেওঁৰ কোনো উদ্দেশ্যকে তেওঁৰ পৰা গোপন কৰি ৰাখিব পৰা নাযায়!

NO PURPOSE OF HIS CAN BE WITHHELD FROM HIM!

১৯৬৯ চনত যেতিয়া মই প্ৰভু যীচু খ্ৰীষ্টক মোৰ ব্যক্তিগত ত্ৰাণকৰ্তা স্বৰূপে গ্ৰহণ কৰিলো, মই 'হেৰাল্ড অফ হিজ কামিং'ৰ সম্পাদক স্বৰ্গীয় পালক এচ, দেৰাদাসনৰ পৰিচৰ্যাত যোগদান কৰিছিলো। প্ৰভুৰ সেৱা কৰিবলৈ তেওঁ মোক আত্মিক প্ৰশিক্ষণ দিছিল আৰু মই তেওঁৰ লগত ৩ বছৰ আছিলো।



পালক, এচ, চাম ছেলভা ৰাজ আৰু ৰেভা, এচ, দেৰাদামন

এবাৰ নিশা মই তেওঁৰ লগত বহুত দীঘলীয়া সময় ধৰি প্ৰাৰ্থনা কৰি আছিলো। অকস্মাতে তেওঁ মোক ক'বলৈ ধৰিলে যে ভৱিষ্যতে মোৰ যোগেদি ঈশ্বৰে কি কাৰ্য কৰিব। তেওঁ ডাঙৰ ডাঙৰ কথাবিলাক কৈছিল। সেই সময়ত মই আনকি সেই বিষয়বিলাকৰ বাবে চিন্তাই কৰিব পৰা নাছিলো। মোৰ শিক্ষাগত অৰ্হতা বেছি নাছিল, ধন নাছিল বা ভৱিষ্যতে মই কৰিবলগীয়া যি যি মহান পৰিচৰ্যাবিলাকৰ বিষয়ে তেওঁ ভৱিষ্যৎ বাণী কৈছিল, সেইসমূহ পালন কৰিবলৈ মোৰ লগত লোকবলো নাছিল।

মই তেওঁক মোৰ অপৰ্যাপ্ততাবিলাকৰ বিষয়ে ব্যাখ্যা কৰি ক'লো, "পালক, প্ৰভুৰ পৰিচৰ্যাত মই যদি একেবাৰে নিম্ন পৰ্যায়ৰ দাস হিচাবে থাকিব পালেও যথেষ্ট হ'ব।" তেওঁ মোক উত্তৰ দি ক'লে, "এজন সাধাৰণ মানুহক সৰ্বোচ্চ উচ্চতালৈ নিবলৈ হ'লে দুটি বস্তুৰ প্ৰয়োজন হয়। এটা হৈছে (ক) বিশ্বাস আৰু আনটো হৈছে (খ) উত্তম বিবেক, যিদৰে ১ তীমথিয় ১ঃ১৯ পদত কোৱা আছে। যদি আপুনি আপোনাৰ চকুক ৰক্ষা কৰি ৰখাৰ দৰে এই বস্তু দুটাক ৰক্ষা কৰি ৰাখে, তেন্তে আপুনি নিশ্চয় মই অলপ আগতে উল্লেখ কৰাৰ দৰে, এই আধ্যাত্মিক পদোন্নতিবোৰক পাব পাৰিব"। এই গোটেই বছৰবোৰত মোৰ সামৰ্থ অনুযায়ী সেই বস্তুবোৰক যত্ন লওঁতে ঈশ্বৰে মোক সহায় কৰিলে।

এই বিষয় বস্তুবোৰ লিখিবলৈ আৰম্ভ কৰাৰ ঠিক আগতে প্ৰভুৱে মোৰ লগতে কথা পাতিছিল। মোৰ মাত বন্ধ হৈ গৈছিল আৰু তেওঁৰ লাহে লাহে কোৱা মাত শুনি মোৰ কাণ দুখন থিয় হৈ গৈছিল। তেওঁ মোক ক'লে, "মোৰ প্ৰিয় সন্তান, তুমি থিয় হৈ থকা এই গৃহটিৰ বিষয়ে ভাবি চোৱা। তুমি ইয়াক কি দৰে পাইছিলা? আৰু এই গৃহটিৰ ভিতৰত চলি থকা পৰিচৰ্যাৰ বিষয়ে ভাবি চোৱা। নতুন নতুন প্ৰযুক্তিৰে ভৰা শুভবাৰ্তাৰ ছপাশালটোলৈ চোৱা। যিটো তলৰ মহলাত অৱস্থিত আছে। তুমি কেতিয়াবা প্ৰথম মহলাত ২৪ ঘণ্টাই চলি থকা প্ৰাৰ্থনা, আৰাধনাবিলাকৰ বিষয়ে ভাবি চাইছানে? সেই একেইটা প্ৰথম মহলাৰ আনফালে চলি থকা নহিমিয়া বাইবেল কলেজৰ পৰিচৰ্যাবিলাক আৰু ল'ৰা-ছোৱালীবিলাকৰ বাবে চলি থকা পৰিচৰ্যাবিলাকৰ বিষয়ে ভাবি চাইছানে? দ্বিতীয় মহলাত তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ চলি থকা প্ৰশংসনীয় কাৰ্যালয়ৰ বিষয়ে ভাবি চাইছানে?"

"তোমাৰ সামৰ্থৰ বাহিৰত থকা পৰিচৰ্যাসমূহ চলাই নিবলৈ, মই তোমাক অনেক হাৰুণ আৰু যিহোচুৱাহঁতক দিছো। তেওঁলোক তোমাতকৈয়ো জ্ঞানী আৰু যেতিয়া তেতিয়াই তোমাক সহায় কৰিবলৈ সাজু থাকে আৰু তুমি আশীৰ্বাদ পাই আছা। যদিও তুমি সেই আশীৰ্বাদৰ বিষয়ে ভাবি নোচোৱা, কিন্তু মই হ'লে তোমাৰ বিষয়ে সদায় ভাবো। মই যেতিয়া তোমাক আহ্বান কৰিছিলো, তোমাৰ অৱস্থা কিদৰে আছিল? মই তোমাৰ পৰিচৰ্যাবোৰক আৰু বৃদ্ধি কৰিম। মোৰ দাস পালক এচ, দেৰাদাসনে তোমাক যিদৰে শিক্ষা দিছিল, তোমাৰ বিশ্বাসত দৃঢ় হৈ থাকা আৰু উত্তম বিবেক ৰাখিবা। তোমাৰ জীৱনত কঠিন আৰু বেয়া পথবোৰ আহিব তেতিয়া তুমি নিৰাশ নহ'বা। মই তোমাক আহবান কৰা নাইনে? মই মোৰ মুখৰ দ্বাৰাই তোমালৈ যি কথা কৈছিলো তাক মই নিজ হাতেৰে ফলিয়াম। বলৱান আৰু সাহিয়াল হোৱা, ত্ৰাসিত নহ'বা।"

কেতিয়াবা ঈশ্বৰে মোৰ যোগেদি কৰা তেওঁৰ আচৰিত আৰু মহান কাৰ্যবিলাকক মই সম্পূৰ্ণভাৱে উপলব্ধি কৰাত ব্যৰ্থ হওঁ। প্ৰিয় ভাই আৰু ভনীসকল, আপোনাৰ ওপৰত থকা চলাওঁতাসকলক সন্মান কৰক কিয়নো তেওঁলোকক ঈশ্বৰে ৰাখিছে। জগতৰ মতে নচলিবা কিন্তু চলাওতাৰ অধীনত থাকা আৰু বিশ্বাসক ধৰি ৰাখা আৰু উত্তম বিবেকক লোৱা। যদি আপুনি ঈশ্বৰ আৰু চলাওঁতাৰ আগত বিশ্বাসী হৈ থাকে তেন্তে তেওঁ আপোনাৰ যোগেদি মহান কাৰ্যবোৰ সম্পন্ন কৰিব। আপোনাক তেওঁৰ পৰাক্ৰম কাৰ্যবোৰ সম্পন্ন কৰিব। আপোনাক তেওঁৰ পৰাক্ৰম কাৰ্যবোৰ কৰিবলৈ কোনো বস্তুৱেও ঈশ্বৰক বাধা দিব নোৱাৰে। মই সকলো গৌৰৱ আৰু মহিমা কেৱল ঈশ্বৰকহে দিওঁ।

❖❖❖❖❖

....Contd. from page 6

দায়ুদে তেওঁৰ সৰু কালতেই তেওঁৰ যুদ্ধবোৰক বাচি ল'বলৈ নাজানিছিল। দায়ুদে কেৱল যুদ্ধক্ষেত্ৰত তেওঁৰ শত্ৰুবোৰৰ বিৰুদ্ধে যুদ্ধ কৰিছিল এনে নহয় কিন্তু তেওঁৰ নিজৰ পৰিয়ালবৰ্গৰ সৈতেও গোটেই জীৱন কালত একেৰাহে যুদ্ধ কৰিবলগীয়া হৈছিল।

## ৭। আপোনাৰ যুদ্ধবোৰক ঈশ্বৰৰ ফাললৈ যাবলৈ দিয়ক!

২ চমুৱেল ১৬ অধ্যায়ত আমি এজন বৃদ্ধ পৰিপক্ক আৰু ক্লান্তিত দায়ুদক দেখিবলৈ পাওঁ। এতিয়া তেওঁ তেওঁৰ নিজ পুত্ৰ অবচালোমৰ পৰা পলাই ফুৰিছে। যিজনে এতিয়া দায়ুদৰ শাসনভাৰ নিজৰ কৰি ল'লে।যি সময়ত তেওঁ ভাবিছিল তেওঁ অলপ জিৰণি বা বিশ্ৰাম ল'ব আৰু সন্তানসকলৰ ওপৰত নিৰ্ভৰ কৰিব, সেই সন্তানৰ পৰাই এতিয়া প্ৰাণ ৰক্ষাৰ বাবে পলাই ফুৰিছে! দায়ুদে শাৰীৰিকভাৱে, মানসিকভাৱে আৰু আবেগিকবাৱে ভাগি পৰিছিল। সেই সময়তে তেওঁ চিমিয়ী নামৰ মানুহ এজনক লগ পাইছিল। তেওঁ হৈছে চৌলৰ পৰিয়ালৰ এজন সদস্য আৰু সেইজনেই দায়ুদক অভিশাপ দিবলৈ বৰ মাতেৰে চিঞৰি ক'লে, ... গুচি যা, **তই যাৰ পদত ৰজা হ'লি সেই চৌলৰ বংশৰ সকলো ৰক্তপাতৰ প্ৰতিফল যিহোৱাই তোক দিছে; যিহোৱাই তোৰ পুতেৰ অবচালোমৰ হাতত ৰাজ্য সমৰ্পণ কৰিলে; চা, তই নিজ দুষ্টতাত ধৰা পৰিলি, কিয়নো তই ৰক্তপাতী মানুহ** (২ চমুৱেল ১৬:৭,৮)।



***Shimei cursed David***

আপুনি কল্পনা কৰিছেনে যে দায়ুদে ইস্ৰায়েলৰ লোকবিলাকৰ আৰু চৌলৰ পৰিয়ালৰ বাবে ইমানখিনি কৰাৰ পাছতো তেওঁ কি অনুভৱ কৰিছিল? এতিয়াও তেওঁক ৰক্তপাতী আৰু দুষ্ট বুলি অভিযোগ কৰা হৈছে। দায়ুদে হয়তু কিমান যে বেদনা আৰু কষ্টৰ মাজেদি যাবলগীয়া হৈছিল তাক মই কল্পনাও কৰিব নোৱাৰো। আপুনি যেতিয়া এই অংশটো অধ্যয়ন কৰিব তেতিয়া হয়তু নিজকে নিজে ক'ব “এই ঘটনাটো মোৰ জীৱনৰ লগত মিলিছে। মই মানুহবোৰৰ বাবে ইমান ভাল কৰ্ম কৰাত পাছতো মই কেৱল অভিযোগ পাইছো আৰু গালি খাই আছো। কিন্তু মই এইবোৰ পোৱাৰ যোগ্য নহও!”

দায়ুদৰ ঠাইত আন কোনোবা হোৱা হ'লে সেইচিমিয়ী যিজনে নিজে সঠিক বুলি বিচাৰ কৰিছিল তাৰ লগত নিশ্চয় যুদ্ধ কৰিলেহেঁতেন নাইবা যুদ্ধ কৰিলেহেঁতেন। অৱশ্যে, দায়ুদৰ এজন মানুহে তেওঁক ক'লে, ... সেই মৰা কুকুৰে মোৰ প্ৰভু মহাৰাজক কিয় শাও দিয়ে? আপুনি অনুমতি দিয়ে যদি, মই পাৰ হৈ গৈ তাৰ মূৰ কাটি পেলাও ১ চমুৱেল ১৬:৯। কিন্তু ইয়াত দায়ুদৰ প্ৰত্যুত্তৰলৈ চাওক। পুনৰ আমি চাও দায়ুদে তেওৎৰ সমস্যা আৰু প্ৰত্যাহ্বানবোৰক ঈশ্বৰলৈ সংযোগ কৰি দিয়ে। তেওঁ ক'লে, ঈশ্বৰক ইয়াৰ বিচাৰ কৰিবলৈ দিয়া, কিজানি মোলৈ কৰা অন্যায়লৈ যিহোৱাই দৃষ্টি কৰিব, আৰু সি আজি মোক মঙ্গল কৰিব (১ চমুৱেল ১৬:১২)। প্ৰকৃততে, তেওঁ কয় যে যি বেদনা মই ভুগি আছো তাৰ পৰিণাম ঈশ্বৰেহে দিব। ৰচ পদত দায়ুদে কয় যে...সি শাও দিয়ক, কিয়নো যিহোৱাই তাক অনুমতি দিছে। আমি এই বিষয়টোক নিশ্চিত কৰি লোৱাৰ প্ৰয়োজন আছে ঃ “ঈশ্বৰে অনুমতি নিদিয়ালৈকে মোৰ জীৱনত একো নঘটিব আৰু যদিও তেওঁ অনুমতি দিছে, শেষত ইয়াৰ পৰাই আশীৰ্বাদ ওলাব।”

প্ৰিয় বন্ধুসকল, আনকি আমাৰ প্ৰভুৱেও তেওঁৰ যুদ্ধক বাচি ল'ব লগা হৈছিল। যেতিয়া তেওঁক প্ৰশ্ন কৰা হৈছিল, বাইবেলে কয় যে কেৱল এবাৰ বাদ দি তেওঁ সকলো সময়ত ‘নীৰৱ' হৈ আছিল। ঠিক একেদৰে, আমি নীৰৱে থাকিবলৈ শিকিব লাগিব আৰু ঈশ্বৰে আমাৰ হৈ যুদ্ধ কৰিবলৈ এৰি দিব লাগে। প্ৰভুৱে আমাৰ যুদ্ধবোৰক বাচি ল'বলৈ আমাক অনুগ্ৰহ দান কৰক। প্ৰভুক প্ৰভু হৈ থাকিবলৈ দিয়ক!

❖❖❖❖❖

## জৰুৰী

আমাৰ নহিমিয়া বাইবেল কলেজৰ বাবে হিন্দী ভাষাত ১০০০ খন খ্ৰীষ্টিয়ান পুস্তকৰ প্ৰয়োজন হৈছে। অনুগ্ৰহ কৰি এই থিয়'ল'জি সম্বন্ধীয় পুস্তকবোৰ পোৱাৰ সম্ভাৱনা থাকিলে আমাক জনাওক।

- Pr. S. Sam Selva Raj, Editor
+91-98412 71858

## লাইবেৰী পুস্তকৰ প্ৰয়োজন

আমাৰ চেইণ্ট পৌলচ্ মেট্ৰিকুলেশ্বন আৰু নহিমিয়া বাইবেল কলেজৰ বাবে আমাৰ লাইবেৰীত তামিল, ইংৰাজী আৰু হিন্দী ভাষাত থকা পুস্তকৰ প্ৰয়োজন হৈছে। যদি আপোনাৰ হাতত লগত নতুন বা পুৰণি পুস্তক ভাল অৱস্থাত আছে আৰু যদি আপুনি এইবোৰক আমালৈ দান কৰিব বিচাৰে তেন্তে অনুগ্ৰহ কৰি আমাৰ সৈতে যোগাযোগ কৰক।

- Pr. S. Sam Selva Raj, Editor
+91-98412 71858

RNI.No.TNASS/2000/2335, Postal Regn.No.TN/CH/(C)/204/21-23 WPP.No.TN/PMG(CCR)/WPP-262/21-23

## Echo of His Call

### ইউ টিউব

অনুগ্ৰহ কৰি চাবচক্ৰাইব কৰক

যেতিয়াই আপুনি সময় পায়, দয়া কৰি চাওক আৰু তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ চেনেলত চাবচক্ৰাইব কৰক। ধন্যবাদ।

- সম্পাদক

## OUR BANK DETAILS:

### *1. Bank : State Bank of India*

| | | |
|---|---|---|
| Branch | : | **Triplicane, Chennai-5** |
| Name | : | **S. Sam Selva Raj** |
| A/C No. | : | **1023 2934 679** |
| IFSC | : | **SBIN 00 00 249** |

SWIFT CODE : **SBI NIN BB 455**

### *2. Bank : ICICI Bank*

| | | |
|---|---|---|
| Branch | : | **Anna Salai, Chennai-6** |
| Name | : | **Echo of His Call** |
| A/C No. | : | **6038 0502 2319** |
| IFSC | : | **ICIC 000 6038** |

### *3. Bank : State Bank of India*

**(This Account is for Tax Exemption for Indians only )**

| | | |
|---|---|---|
| Branch | : | **Triplicane, Chennai-5** |
| Name | : | **Echo of His Call Educational Trust** |
| A/C No. | : | **1023 2923 805** |
| IFSC | : | **SBIN 00 00 249** |

**Google Pay: 98410 71858**
**PayPal : SAM SELVA RAJ**

*****

**E.mail : sam@echoofhiscall.org**

## তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

১৬ টা ভাষাত মাহেকীয়া আলোচনী, বাইবেল কলেজ, ডাকযোগে পাঠ্যক্ৰম, মণ্ডলী স্থাপন কাৰ্য, গ্ৰাম্য ইংৰাজী হাইস্কুল, ছপাশাল, প্ৰাৰ্থনা সভা, শুভবাৰ্তামূলক সভা, সামাজিক সেৱা ইত্যাদি

বাৰ্ষিক বৰঙণি ১০০/- টকা জীৱিত বৰঙণি ২০০০/- টকা

The multifarious activities of **Echo of His Call Ministries** are supported by the free-will offerings and donations of God's children like you. You may support **Echo of His Call** and its activities as the Lord leads you. We need your help to send forth the Gospel to the unreached people and plant Churches.

If you would like to receive **ECHO OF HIS CALL** magazines regularly, please write to us with your e.mail Id and Cell Phone number. Whenever you change your postal or e.mail addresses, please do inform us your old and new addresses.

**Echo of His Call** is available in 16 languages in our website also. You can read them by going into the site as well as downloading them and get blessed.

Your letters, prayer requests and your financial helps (**Money Orders, Cheques or Demand Drafts, NEFT, PayPal (Sam Selva Raj, sam@echoofhiscall.org) PhonePe (98410 71858), Gpay (98410 71858), Western Union, MoneyGram, etc.**) to **ECHO OF HIS CALL** may please be sent to the address below.

Please send your **Land Phone / Mobile Phone Numbers and E.mail addresses** for updation.

ECHO OF HIS CALL
10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA
PH: (+91-44) 2852 8282, 2852 9293, 2854 7766/ Cell: (+91) 98410 71852, 95661 31858 / E.mails: sam@echoofhiscall.org / biblecor@yahoo.co.in
Websites: www.echoofhiscall.org / www.stpaulsmatriculation.com

**YOU CAN SEND YOUR DONATION ONLINE ALSO**

Regd. with the RNI under No. TNASS/2000/2335
Licenced to post without pre-payment
Postal Regn. No. TN/CH (C) /204/21-23
Licence No. WPP. No. TN/PMG(CCR)/WPP-262/21-23
Date of Publication: Second week of every month
Date of Posting : 11th & 12th of every month
Posted at "Egmore RMS / 1 Patrika Channel"
on 13th NOVEMBER 2023
If un-delivered please return to:
ECHO OF HIS CALL (ASSAMESE)
P.O. Box No. 2957, Chepauk, Chennai - 600 005, INDIA.
Phone: (+ 91- 44) 2852 8282, 2852 9293, 2854 7766

*JESUS LOVES YOU!*

To

*GOD BLESS YOU!*

Owned and published by **S. Sam Selva Raj** from New No. 8 & 10, Old No.18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005 and printed by **S. Sam Selva Raj** at **Echo of His Call Printers**, New No. 8 & 10, Old No.18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005. Editor: **S. Sam Selva Raj.**